# নেহৰু ষ্টেডিয়ামত প্ৰশাসনৰ আন্তৰ্জাতিক যোগ দিৱস উদ্‌যাপন

**গুৱাহাটী, ২১ জুন ঃ** 'এক বিশ্ব, এক স্বাস্থ্যৰ বাবে যোগ' শীৰ্ষক মূলমন্ত্ৰৰে আজি পুৰা কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ সহযোগত তথা অসম চৰকাৰৰ আয়ুস সঞ্চালকালয়, ক্ৰীড়া সঞ্চালকালয় আৰু যুৱ কল্যাণ আৰু জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত নেহৰু ষ্টেডিয়ামৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত আন্তৰ্জাতিক যোগ দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যই। যোগ দিৱসৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনিৰ অধীনত ৯ গৰাকী অসম গৌৰৱ আৰু এগৰাকী অসম সৌৰভ বঁটাপ্ৰাপক ব্যক্তিক বিধায়ক ভট্টাচাৰ্য, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া আৰু জিলা আয়ুক্ত সুমিত সাত্তাৱনে আয়ুষ্মান গ'ল্ড কাৰ্ড প্ৰদান কৰে। একেদৰে উলুবাৰী বক্সিং ক্লাব আৰু শান্তিপুৰ এথলেটিক ক্লাবৰ বিষয়ববীয়াক ৰাজ্য চৰকাৰৰ তৰফৰ পৰা আগবঢ়োৱা অনুদান হিচাপে পাঁচ লাখকৈ টকাৰ চেক তেওঁলোকে প্ৰদান কৰে। অনুষ্ঠানত যোগেশ্বৰ সংস্থা, ইণ্ডিয়ান যোগ কালচাৰ আৰু যোগ থেৰাপি, ইনষ্টিটিউট অব্ যোগা এণ্ড নিউট্ৰিচন ছায়েন্স, সেৱা ভাৰতী পূৰ্বাঞ্চল, আৰ্ট অব্ লিভিং আৰু স্বাস্থ্যমে যোগ প্ৰদৰ্শন কৰে। একেদৰে দিছপুৰ সমজিলাৰ উদ্যোগত দিছপুৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহতো আন্তৰ্জাতিক যোগ দিৱস পালন কৰা হয়। জালুকবাৰী সমজিলাৰ উদ্যোগত আদাবাৰীৰ অটল উদ্যানত আন্তৰ্জাতিক যোগ দিৱস অনুষ্ঠিত হয়।